# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 06-08-2025 **Time :** 0900 Hrs

## *Assamese Morning Bulletin*
## Headlines
-------------------

১। খৰাং পৰিস্থিতিৰ জোৰা মৰাৰ বাবে অহা বছৰৰ ভিতৰত বৃহত জলসিঞ্চন প্ৰকল্প ৰূপায়ণৰ বিষয়ে মন্ত্ৰী অশোক সিংহলৰ যোৰহাটত ঘোষণা।

২। উৰিয়ামঘাটত চলি থকা উচ্ছেদৰ মাজতে ৭৫টা পৰিয়াললৈ উচ্চ ন্যায়ালয়ৰ সকাহ। ১৪ আগষ্টলৈ বনাঞ্চলৰ ভূমি খালী কৰাৰ সময়সীমা বৃদ্ধি।

৩। দ্বিতীয় পৰ্যায়ৰ নিযুত মইনা আঁচনিৰ আজি প্ৰ-পত্ৰ বিতৰণ।

৪। গুৱাহাটীৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পাঁচটা স্থানত ফুটব্ৰীজ নিৰ্মাণ হ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

আৰু

৫। জ্ঞানপীঠ বঁটা বিজয়ী প্ৰথমগৰাকী অসমীয়া বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যক মৃত্যু বাৰ্ষিকীত সোঁৱৰণ।

oooooooo

ৰাজ্যৰ খৰাং পৰিস্থিতি জোৰা মৰাৰ বাবে অহা বছৰৰ ভিতৰত বৃহৎ জলসিঞ্চন প্ৰকল্প ৰূপায়ণ কৰা হ'ব বুলি জলসিঞ্চন মন্ত্ৰী অশোক সিংহলে প্ৰকাশ কৰিছে। কালি যোৰহাট জিলাৰ বাহগুৰি-ছগুৰি এলেকাৰ জলসিঞ্চন প্ৰকল্পটো পৰিদৰ্শন কৰি মন্ত্ৰীগৰাকীয়ে যোৰহাটৰ কৃষকসকল উপকৃত হোৱাকৈ জলসিঞ্চন প্ৰকল্প লোৱা হ'ব বুলি ঘোষণা কৰে।

বাইট (অশোক সিংহল)

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰো দায়িত্বত থকা মন্ত্ৰীগৰাকীয়ে লগতে ন-বৰাচুক আদৰ্শ চিকিৎসালয়খন ৰাইজৰ নামত উৎসৰ্গা কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কয়, যে চিকিৎসালয়ৰ লগত ৰাইজ সংযুক্ত হৈ থাকিব লাগিব। চৰকাৰী চিকিৎসালয়ৰ প্ৰতি ৰাইজৰ নতুন আশা আহিছে বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত যোৰহাটৰ বিধায়ক হীতেন্দ্ৰ নাথ গোস্বামী, মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কৰ্মী, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ কাৰ্যবাহী সঞ্চালক ডাঃ মনোজ কুমাৰ চৌধুৰী, যুটীয়া সেৱা সঞ্চালকৰ মাখন শইকীয়া প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। পাছত মন্ত্ৰীগৰাকীয়ে মৰিয়ণিত চিৰাখাটি প্ৰৱাহিত জলসিঞ্চন আঁচনিৰ নলা নিৰ্মাণ আৰু উন্নীতকৰণৰ কামৰ আধাৰশিলা স্থাপন কৰে।

oooooooo

উৰিয়ামঘাটৰ সংৰক্ষিত বনাঞ্চলত চলি থকা উচ্ছেদ অভিযানৰ মাজতে গুৱাহাটী উচ্চ ন্যায়ালয়ে ৭৫টা পৰিয়ালক সাময়িক সকাহ প্ৰদান কৰিছে। উচ্চ ন্যায়ালয়ে এখন আবেদনৰ শুনানি লৈ এই পৰিয়ালকেইটাক ১০ দিনৰ সময় প্ৰদান কৰি সংৰক্ষিত বনাঞ্চলৰ ভূমিৰ পৰা ১৪ আগষ্টৰ ভিতৰত আঁতৰি যাবলৈ নিৰ্দেশ দিয়ে। উচ্চ ন্যায়ালয়ে লগতে গোচৰীয়া লোকসকলে বনাঞ্চল দখল কৰা সন্দৰ্ভত বন বিভাগক এখন শপতনামা দাখিল কৰিবলৈও নিৰ্দেশ দিয়ে। এই সন্দৰ্ভত গোচৰীয়া পক্ষৰ অধিবক্তাই এইদৰে কয়---

বাইট (অধিবক্তা)

ইপিনে কালিৰ শুনানিত গোচৰীয়া পক্ষৰ লোকসকলে চৰকাৰে তেওঁলোকক বাসগৃহকে ধৰি বিভিন্ন চৰকাৰী আঁচনিৰ সা-সুবিধা প্ৰদান কৰা বুলি আদালতক অৱগত কৰে। সেই অনুসৰি ন্যায়ালয়ে পৰৱৰ্তী শুনানিত এই সন্দৰ্ভত কোনো তথ্য থাকিলে দাখিল কৰিবলৈ তেওঁলোকক সুযোগ দিয়ে।

ইপিনে মেৰাপানীৰ নেঘেৰিবিলৰ দখলিকৃত ভূমিত ৰাজ্য চৰকাৰে উচ্ছেদ চলোৱাৰ পাছতে অঞ্চলটোৰ ভূমি নগাসকলৰ বুলি সীমান্তৰ তিনিখন নগাবস্তিৰ কাউন্সিলে মন্তব্য কৰাৰ পাছত ৰাজ্যৰ বিভিন্ন দল-সংগঠনে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। যোৱা সোমবাৰে নাগালেণ্ডৰ একাংশ লোকে সৰুপথাৰৰ গেলাজান আৰু ২ নম্বৰ ৰজাপুখুৰী তেওঁলোকৰ বুলি দাবী কৰিছিল। কালি মেৰাপানী সীমান্তৰ নেঘেৰিবিলৰ সমীপৱৰ্তী তিনিখন নগা বসতিপ্ৰধান গাঁৱৰ ভিলেজ চেয়াৰমেনে নেঘেৰিবিলৰ ভূমি নগালেণ্ডৰ বুলি দাবী কৰি এটা ভিডিঅ' মুকলি কৰে। তেওঁলোকে নেঘেৰিবিলৰ বনভোজথলীত ৰাজ্যৰ বিভিন্ন ঠাইৰ লোকে বনভোজ খাই অহা কাৰ্য এতিয়াৰে পৰা বন্ধ কৰা হ'ব বুলি কৰা ঘোষণাক অসমৰ কেইবাটাও সংগঠনে গৰিহণা দিছে। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, কৃষক মুক্তি সংগ্ৰাম সমিতি আৰু সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাৰ প্ৰতিনিধিসকলে এই বিষয়ত সাংবাদিকৰ আগত প্ৰকাশ কৰি দখলমুক্ত এলেকাত অসম আৰক্ষীৰ নিয়মীয়া তহলৰ ব্যৱস্থা কৰিবলৈ দাবী জনায়। তদুপৰি নেঘেৰিবিলত সোনকালে অসম বেটেলিয়নৰ এটা স্থায়ী শিবিৰ নিৰ্মাণৰো তেওঁলোকে দাবী তোলে। এই স্পৰ্শকাতৰ সীমান্ত অঞ্চল ৰাজ্যখনৰ ভৌগোলিক মানচিত্ৰৰ ভিতৰত থকা হেতুকে বিষয়টো লৈ নিশ্চয়তা প্ৰদান কৰিবলৈ তেওঁলোকে মুখ্যমন্ত্ৰীক দাবী জনায়।

oooooooo

উচ্চ শিক্ষা আহৰণৰ দিশত ৰাজ্যৰ ১০ লাখ কন্যা শিক্ষাৰ্থীৰ সুবিধাৰ বাবে মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ দ্বিতীয় পৰ্যায়ত আজি ৰাজ্যৰ বিভিন্ন স্থানত আবেদন পত্ৰ বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হ'ব। এই উপলক্ষে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱেও অংশগ্ৰহণ কৰিব। আজি উচ্চতৰ শিক্ষা আৰু SCERTৰ বাবে আবেদন পত্ৰ বিতৰণ কৰা হ'ব। মাধ্যমিক শিক্ষাৰ বাবে ৭, ৮ আৰু ৯ আগষ্টত আবেদন পত্ৰ বিতৰণ কৰা হ'ব। এই আঁচনিৰ অধীনত উচ্চতৰ মাধ্যমিকৰ ছাত্ৰীয়ে মাহিলী এহেজাৰ টকা, স্নাতক আৰু সংহত শিক্ষক শিক্ষা কাৰ্যসূচীৰ পাঠ্যক্ৰমত অধ্যয়নৰত ছাত্ৰীয়ে মাহিলী এহেজাৰ ২৫০ টকা আৰু স্নাতকোত্তৰ আৰু বিএডৰ ছাত্ৰীয়ে মাহিলী দুহেজাৰ ৫০০ টকাকৈ লাভ কৰিব। ছাত্ৰীসকলে বন্ধৰ সময়ছোৱা বাদ দি সৰ্বাধিক দহ মাহৰ বাবে এই সুবিধা লাভ কৰিব। এই আঁচনিৰ অধীনত ২০২৪-২৫ বৰ্ষত এক লাখ ৬০ হাজাৰ ছাত্ৰীক ১৩৩ কোটি টকা বিতৰণ কৰা হৈছিল। ২০২৫-২৬ বৰ্ষত ৪ লাখ ছাত্ৰীক নিযুত মইনা আঁচনিত সামৰি লোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। উল্লেখযোগ্য যে উচ্চ শিক্ষাত ছাত্ৰীৰ নামভৰ্তি বৃদ্ধি, বাল্যবিবাহ তথা কৈশোৰকালীন মাতৃত্ব প্ৰতিৰোধ, শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষাৰ অধিকাৰ নিশ্চিতকৰণৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে এই অভিলাষী আঁচনি গ্ৰহণ কৰিছে।

oooooooo

পথচাৰীৰ সুবিধাৰ্থে ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ জালুকবাৰীৰ পৰা খানাপাৰা  অভিমুখী পথছোৱাৰ পাঁচটা স্থানত ফুটব্ৰীজ নিৰ্মাণ কৰা হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমত  এই কথা সদৰি কৰে। পথচাৰীৰ নিৰাপদ যাত্ৰাৰ বাবে ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ বাইপাছত ১৮ কিলোমিটাৰ পথত ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে এই বিশেষ ব্যৱস্থা লৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। জালুকবাৰী অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ ওচৰত, তেতেলিয়াত, গড়চুক কেন্দ্ৰীয় লোকনিৰ্মাণ বিভাগৰ কাৰ্যালয়ৰ সমীপত, আন্তঃৰাজ্যিক বাছ আস্থানৰ ৰয়েল গ্ল'বেল ইউনিভাৰ্ছিটীৰ সমীপত আৰু লালমাটি গেমছ ভিলেজৰ ওচৰত এই ফুট ব্ৰীজসমূহ নিৰ্মাণ কৰা হ'ব।

পৰৱৰ্তী বৰ্ষত এইসমূহ ফুট ব্ৰীজ ৰাইজৰ বাবে মুকলি কৰা হ'ব বুলি সামাজিক মাধ্যমৰ বিশেষ বাৰ্তাত মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰিছে।

oooooooo

পথচাৰীৰ সুবিধাৰ্থে ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ জালুকবাৰীৰ পৰা খানাপাৰা অভিমুখী পথছোৱাৰ পাঁচটা স্থানত ফুটব্ৰীজ নিৰ্মাণ কৰা হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমত এই কথা সদৰি কৰে। পথচাৰীৰ নিৰাপদ যাত্ৰাৰ বাবে ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ বাইপাছত ১৮ কিলোমিটাৰ পথত ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে এই বিশেষ ব্যৱস্থা লৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। জালুকবাৰী অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ ওচৰত, তেতেলিয়াত, গড়চুক কেন্দ্ৰীয় লোকনিৰ্মাণ বিভাগৰ কাৰ্যালয়ৰ সমীপত, আন্তঃৰাজ্যিক বাছ আস্থানৰ ৰয়েল গ্ল'বেল ইউনিভাৰ্ছিটীৰ সমীপত আৰু লালমাটি গেমছ ভিলেজৰ ওচৰত এই ফুট ব্ৰীজসমূহ নিৰ্মাণ কৰা হ'ব। পৰৱৰ্তী বৰ্ষত এইসমূহ ফুট ব্ৰীজ ৰাইজৰ বাবে মুকলি কৰা হ'ব বুলি সামাজিক মাধ্যমৰ বিশেষ বাৰ্তাত মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰিছে।

oooooooo

ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ–SCERT-ত সংঘটিত প্ৰায় ১০৫ কোটি টকাৰ অনিয়মৰ মূল অভিযুক্ত ভাৰতীয় প্ৰশাসনিক সেৱাৰ প্ৰাক্তন বিষয়া শেৱালী দেৱী শৰ্মাৰ বাসগৃহত কালি বিধি বলৱৎকাৰী সঞ্চালকালয়ে অভিযান চলায়। সঞ্চালকালয়ৰ দলে এই গোচৰৰ আন কেইবাগৰাকীও অভিযুক্তৰ বাসস্থানকে ধৰি মুঠ ৮ টা স্থানত অভিযান চলায়। উল্লেখযোগ্য যে শেৱালী দেৱী শৰ্মা SCERT-ৰ ভাৰপ্ৰাপ্ত সঞ্চালক হৈ থকাৰ সময়ত ২০১৭ৰ পৰা ২০২০ চনৰ ভিতৰত বিভিন্ন আঁচনিৰ নামত ১০৫ কোটিৰো অধিক টকা আত্মসাৎ হোৱাৰ অভিযোগৰ গোচৰত মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে ইতিমধ্যে অভিযোগনামা দাখিল কৰিছে। এই অভিযোগনামাত প্ৰাক্তন বিষয়াগৰাকীৰ লগতে তেওঁৰ পৰিয়ালৰ সদস্য আৰু কেইবাগৰাকী চৰকাৰী বিষয়াৰ নামো অন্তৰ্ভুক্ত হৈছে। অভিযোগনামা দাখিলৰ পাছতে বিধিবলৱৎকাৰী সঞ্চালকালয়ে অভিযুক্ত আটাইকেইগৰাকীৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে।

oooooooo

এসপ্তাহ পূৰ্বে গোলাঘাট জিলাৰ বৰপথাৰৰ গেলাবিলত সংঘটিত গণ প্ৰহাৰৰ ঘটনাত জড়িত মূল অভিযুক্তসহ আঠজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। গণ প্ৰহাৰৰ ঘটনাৰে জড়িত অভিযুক্ত শশাংক শ্ৰেষ্ঠ আৰু ৰঞ্জিত শ্ৰেষ্ঠক গোলাঘাট আৰক্ষীয়ে ডিব্ৰুগড় আৰু কাছমাৰীৰ পৰা আত্মগোপন কৰি থকা অৱস্থাত গ্ৰেপ্তাৰ কৰে। ঘটনাৰে জড়িত থকাৰ অভিযোগত ২ নম্বৰ দৈয়াংপাৰ গাঁৱৰ হেমন্ত বৰা, পূৰৱী বৰা আৰু সুশীলা বৰাক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। গণ প্ৰহাৰত গুৰুতৰভাৱে আহত হৈ শয়ন শইকীয়া আৰু কুন্দু চাহানী বৰ্তমানেও চিকিৎসাধীন হৈ আছে। কুন্দু চাহানী সম্প্ৰতি গোলাঘাট অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে আৰু শয়ন শইকীয়াক উন্নত চিকিৎসাৰ বাবে যোৰহাটৰ পৰা গুৱাহাটীলৈ অনা হৈছে। স্থানীয় বিধায়কে গণ প্ৰহাৰত আহত দুয়োজন যুৱকৰে চিকিৎসাৰ দায়িত্ব লৈছে।

oooooooo

নগাঁও জিলা দণ্ডাধীশে কালি এটা নিৰ্দেশযোগে কলিয়াবৰ ৰাজহচক্ৰৰ অন্তৰ্গত লুংচুং চাহ বাগিচাৰ বনভোজ থলী আৰু হদহদী জলপ্ৰপাতত বনভোজ আৰু সাঁতোৰ সাময়িকভাৱে নিষিদ্ধ ঘোষণা কৰিছে। জলপ্ৰপাতলৈ যোৱা সকলো ধৰণৰ যান-বাহন চলাচল কৰাতো বাধা আৰোপ কৰা হৈছে। বিগত সময়ছোৱাত জলপ্ৰপাতটোত কেইবাটাও দুৰ্ঘটনা সংঘটিত হৈছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি জিলা দণ্ডাধীশ তথা জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ নিৰ্দেশ মৰ্মে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰা অনুযায়ী জলপ্ৰপাতটোত সাধাৰণ লোকৰ বনভোজ, বিনোদনমূলক যিকোনো কাৰ্যত এই নিষেধাজ্ঞা আৰোপ কৰা হৈছে। বিগত কিছুদিন ধৰি জলপ্ৰপাতটো আৰু ইয়াৰ

সমীপত কেইবাজনো লোকৰ প্ৰাণহানি হোৱাৰ পৰিপ্ৰেক্ষিতত সাধাৰণ লোকক বনভোজ আৰু ব্যক্তিগত বাহন চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হয়।

০০০০০০০০

জ্ঞানপীঠ বঁটা লাভ কৰা প্ৰথমগৰাকী অসমীয়া, বিশিষ্ট গল্পকাৰ, ঔপন্যাসিক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ মৃত্যু বাৰ্ষিকীত আজি ৰাজ্যবাসীয়ে তেওঁক শ্ৰদ্ধাৰে সুঁৱৰিছে। ৰামধেনু যুগৰ অন্যতম সামাজিক বাস্তৱবাদী লেখকগৰাকীয়ে **১৯৬১** চনত **ইয়াৰুইঙ্গম** উপন্যাসৰ বাবে সাহিত্য একাডেমী বঁটা লাভ কৰিছিল। ৪২'ৰ গণ আন্দোলনৰ ভিত্তিত ৰচনা কৰা **মৃত্যুঞ্জয়** উপন্যাসৰ বাবে তেওঁ **১৯৭৯** চনত জ্ঞানপীঠ বঁটা লাভ কৰিছিল। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য **১৯৮৩** চনত অসম সাহিত্য সভাৰ বঙাইগাঁও অধিৱেশনৰ সভাপতি আছিল। জব্বলপুৰ বিশ্ববিদ্যালয়ে তেওঁক সন্মানীয় ডি-লীট উপাধি প্ৰদান কৰিছিল। নিজৰ সৃষ্টিৰাজীৰে অসমীয়া সাহিত্যক সৰ্বভাৰতীয় পৰ্যায়ত প্ৰতিষ্ঠা কৰাৰ উপৰি **ৰামধেনু** আলোচনীৰ জৰিয়তে বহুকেইগৰাকী বিশিষ্ট সাহিত্যিক সৃষ্টিত অৰিহণা যোগোৱা বিৰল প্ৰতিভাধৰ সাহিত্যিকগৰাকীৰ ৰচনাৰাজীয়ে চিৰকাল অসমীয়া সাহিত্যক উদ্বুদ্ধ কৰি ৰাখিব।

০০০০০০০০

থাইলেণ্ডত অনুষ্ঠিত **১৯** আৰু **২২** বছৰ অনূৰ্ধ এছিয়ান বক্সিং চেম্পিয়নশ্বিপত ভাৰতীয় বক্সাৰসকলৰ দৃঢ় প্ৰদৰ্শন অব্যাহত আছে। **১৯** বছৰ অনূৰ্ধৰ শাখাত ৭ গৰাকী মহিলা বক্সাৰে পদক নিশ্চিত কৰিছে। যক্ষিকা, নিছা, মুস্কান আৰু ভিনিয়ে নিজ নিজ ওজন শাখাত পদক নিশ্চিত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখযোগ্য যে একেলগে অনুষ্ঠিত **১৯** আৰু **২২** বছৰ অনূৰ্ধ এছিয়ান বক্সিং চেম্পিয়নশ্বিপে ভাৰতৰ উদীয়মান খেলুৱৈসকলক এছিয়াৰ একাংশ শক্তিশালী প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে খেলি নিজৰ দক্ষতা আৰু দৃঢ়তা প্ৰদৰ্শনৰ বাবে এখন মঞ্চ প্ৰদান কৰিছে।

০০০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰিকাকত সমূহত উত্তৰাখণ্ডৰ ডাৱৰ বিস্ফোৰণ, ভাৰতৰ ওপৰত অতিৰিক্ত শুল্ক আৰোপৰ ভাবুকি ট্ৰাম্পৰ, বিটিআৰত মুখ্যমন্ত্ৰীৰ নিৰ্বাচী প্ৰচাৰ আদি ভিন ভিন খবৰে শিৰোনাম দখল কৰিছে। উত্তৰাখণ্ডৰ উত্তৰকাশীত কালি ডাৱৰ বিস্ফোৰণৰ ফলত সৃষ্টি হোৱা আকস্মিক বানত কমেও **১০**জনৰ মৃত্যু হৈছে আৰু শতাধিক লোক সন্ধানহীন হৈ আছে। হৰছিল এলেকাৰ সেনা শিবিৰো বানৰ কবলত পৰাৰ পাছত **১২**জন সেনা নিৰুদ্দেশ হৈ আছে। নিয়মীয়া বাৰ্তা কাকতত এই বাতৰিটোক প্ৰথমপৃষ্ঠাৰ মুখ্যবাতৰি হিচাপে পৰিৱেশন কৰা হৈছে। দৈনিক অগ্ৰদূত, অসমীয়া খবৰ, দৈনিক অসম, অসমীয়া প্ৰতিদিন, দৈনিক জনমভূমি, আমাৰ অসমকে ধৰি আটাইকেইখন কাকততেই উত্তৰাখণ্ডৰ জলপ্ৰলয়ৰ বাতৰিটোক গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। ৰাছিয়াৰ সৈতে বাণিজ্যিক সম্পৰ্ক ৰক্ষা কৰা ভাৰতকে ধৰি মিত্ৰ ৰাষ্ট্ৰসমূহক আমেৰিকাই মুকলি ভাবুকি দিয়াৰ পিছতেই মস্কোৱে মুকলিকৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। এই বিতৰ্ক অব্যাহত থকাৰ মাজতে সোমবাৰে ট্ৰাম্পে পুনৰ নতুন দিল্লীক মস্কোৰ সৈতে থকা সম্পৰ্ক সন্দৰ্ভত সকীয়াই দি কয় যে আমেৰিকাই ভাৰতৰ ওপৰত শুল্কৰ হাৰ আৰু অধিক বৃদ্ধি কৰিব। দি চেন্টিনেল, দি টাইমছ অব ইণ্ডিয়া, দি আচাম ট্ৰিবিউনকে ধৰি আটাইকেইখন কাকততেই এই বাতৰিটোৱে শিৰোনাম দখল কৰিছে। মহানগৰ আৰক্ষীৰ অভিযানত কালি গুৱাহাটীৰ এটা গেষ্ট হাউচত চলি থকা দেহ ব্যৱসায়ৰ এটা ঘাটি উৎখাত হোৱাৰ বাতৰিটোৱেও কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে। গোৱালপাৰাৰ বলবলাৰ বাইজুৰিত পুত্ৰবিয়োগৰ শোকত সাতমহীয়া সন্তানক লগত লৈ এগৰাকী মহিলাই আত্মহনন কৰা বাতৰিটোক নিয়মীয়া বাৰ্তা, দৈনিক অগ্ৰদূত আদি কাকতত প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰা হৈছে। এতিয়া আহক আমি পুনৰ বাতৰিৰ মাজলৈ ওভতি যাওঁ।

০০০০০০০০

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই কালি কলিয়াবৰ সমজিলা আয়ুক্ত কাৰ্যালয়ত কলিয়াবৰ সংমণ্ডলৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়াবৰ্গৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত বিভাগটোৰ সৈতে জড়িত বিভিন্ন আঁচনিৰ পৰ্যালোচনা কৰা হয়। বৈঠকত কলিয়াবৰৰ সমজিলা আয়ুক্ত ৰাজ বৰুৱা, বিভাগীয় বিষয়া অভিযন্তা আৰু সমজিলা প্ৰশাসনৰ বিষয়াসকল উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে লগতে অসম সমবায় মৰাপাট কল পৰিসীমিতৰ বিষয়াৰ সৈতেও এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত মৰাপাট কলটোৰ বিভিন্ন ধৰণৰ উন্নয়নৰ দিশ সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। একেটা কাৰ্যালয়ৰ সভাকক্ষতে মন্ত্ৰী মহন্তই সংহত শিশু উন্নয়ন প্ৰকল্প সন্দৰ্ভত সংশ্লিষ্ট বিষয়াসকলৰ সৈতেও আন এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত বিভাগীয় বিষয়া-অভিযন্তাসকলৰ সৈতে মন্ত্ৰীগৰাকীয়ে সংহত শিশু উন্নয়ন প্ৰকল্প সন্দৰ্ভত বিশদভাৱে আলোচনা কৰে।

০০০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০০

সমাপ্ত